# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ আজি আগবেলা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হোৱা চৈয়দ ছাদুল্লাক উন্নত চিকিৎসাৰ বাবে যোৱা কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল আৰু আজি দিনৰ প্ৰায় চাৰে ১০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ নালিয়াপুলত জন্মগ্ৰহণ কৰা চৈয়দ ছাদুল্লা শৈশৱৰে পৰা বিভিন্ন বাদ্যযন্ত্ৰত পাৰদৰ্শী হৈ উঠে আৰু পৰৱৰ্তী কালত গীতাৰ বাদক হিচাপে তেওঁ প্ৰসিদ্ধি লাভ কৰে। যোৱা শতিকাৰ সপ্তম দশকত ডিব্ৰুগড়ৰ কেইগৰাকীমান যুৱকে **দ্য কুইভাৰ্ছ** নামৰ উজনি অসমৰ প্ৰথমটো বেণ্ডৰ জন্ম দিয়ে। এই কুইভাৰ্ছৰ অন্যতম সদস্য আছিল চৈয়দ ছাদুল্লা। ১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাৰে অংশকালীন সংবাদদাতাৰূপে সেৱা আগবঢ়ায়। ইয়াৰ পাছত তেওঁ কেন্দ্ৰটোত ষ্টাফ আৰ্টিষ্টৰূপে যোগদান কৰে। কিছু কাল আকাশবাণী মুম্বাই কেন্দ্ৰতো সেৱা আগবঢ়োৱাৰ পাছত তেওঁ আকাশবাণী ডিব্ৰুগড়লৈ প্ৰত্যাৱৰ্তন কৰে আৰু ২০০৮ চনত তেওঁ কেন্দ্ৰটোৰ পৰা অৱসৰ গ্ৰহণ কৰে।

যোৱা শতিকাৰ সপ্তম আৰু অষ্টম দশকত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত অতি জনপ্ৰিয় ভিন্নৰঙী অনুষ্ঠান **বৰ্ণালী**ৰো প্ৰধান উপস্থাপক আছিল চৈয়দ ছাদুল্লা।

**ঃভইচঃ**

পৰৱৰ্তী সময়ত শিল্পীগৰাকীয়ে গীত ৰচনা, সংগীত ৰচনা আৰু সুৰকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰে আৰু আকাশবাণীৰ বাবে প্ৰায় ১৮০টা গীত ৰচনা কৰে। নাট বিভাগৰ এ গ্ৰেড শিল্পী আৰু গ্ৰেড ওৱান সংগীত সংৰচক হিচাপে স্বীকৃত চৈয়দ ছাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ হৈ ২০খনৰো অধিক অনাতাঁৰ আলেখ্য নিৰ্মাণ কৰে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত প্ৰথমখন আঞ্চলিক বাতৰিৰো পৰিবেশক আছিল চৈয়দ ছাদুল্লা। অৱসৰ গ্ৰহণৰ পাছত তেওঁ সন্মানীয় ডিস্কোভাৰী আৰু নেশ্যনেল জিঅ'গ্ৰাফীক চেনেলৰ সৈতে জড়িত হৈছিল আৰু ১০০ৰো অধিক তথ্যচিত্ৰত ইংৰাজীত কণ্ঠদান কৰিছিল। আজি দুপৰীয়া তেওঁৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ অনা হয় আৰু ইয়াত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে শিল্পীগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ নশ্বৰ দেহ ডিব্ৰুগড়লৈ নিয়া হৈছে আৰু কাইলৈ ডিব্ৰুগড়ত তেওঁৰ জানাজা সম্পন্ন কৰা হ'ব।

০০০০০

মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আজি শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে মহিলাসকলে যাতে সমাজত সন্মান সহকাৰে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এই আঁচনি ৰূপায়ণ কৰিছে। এই পদক্ষেপে

মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলা আৰু গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ দিশত তেওঁলোকৰ ভূমিকা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই আজি শদিয়াৰ বৰপথাৰ গাঁৱত থকা সোণোৱাল কছাৰীসকলৰ পৱিত্ৰ স্থান খ্ৰীং খ্ৰীং বাইথো মন্দিৰত পূজা-অৰ্চনা কৰে।

মুখ্যমন্ত্ৰীয়ে আজি বিয়লি উত্তৰ লখিমপুৰৰ খেলমাটিত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ডং ভূপেন হাজৰিকাৰ এটা ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। তেওঁ লগতে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিৱমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ ২ কোটি ৮৭ লাখ টকাৰে নিৰ্মাণ কৰা পথছোৱা উদ্বোধন কৰে। কাইলৈ তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ডং শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

০০০০০

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিক সামৰি অনুষ্ঠিত শুশ্ৰূষা সেতু শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ আজি ধেমাজি জিলাৰ জোনাইৰ গান্ধী ময়দান খেলপথাৰত অনুষ্ঠিত হয়। এই শিবিৰত ১৮ তলৰ ৩ হাজাৰৰো অধিক ল'ৰা-ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। জোনাইৰ বিধায়ক ভূবন পেগুৱে এই শিবিৰত অংশ লৈ ৰাজ্যজুৰি গ্ৰহণ কৰা এই আঁচনিখনৰ বিষয়ে ৰাইজক অৱগত কৰে। ৫০গৰাকী বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়োৱা এই শিবিৰত স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। গোলাঘাট জিলাতো আজি শুশ্ৰূষা সেতু আঁচনিৰ অধীনত পঞ্চমটো বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। বোকাখাটত অনুষ্ঠিত এই শিবিৰত প্ৰায় ৬ হাজাৰ লোকে অংশ লয়। মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰা শিবিৰত ৪ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

০০০০০

সমাপ্ত